# একবিংশ শতিকাৰ প্ৰথম দশকলৈ গৰীয়সী আলোচনীত প্ৰকাশিত উপন্যাসৰ ভাষা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

## (লক্ষ্মীনন্দন বৰা আৰু পূৰবী বৰমুদৈৰ উপন্যাসৰ বিশেষ উল্লিখনসহ)

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাৰ অন্তৰ্গত অসমীয়া বিভাগৰ
অধীনত পিএইচ. ডি. ডিগ্ৰী প্ৰাপ্তিৰ বাবে প্ৰদত্ত
গৱেষণা গ্ৰন্থৰ সংক্ষিপ্তসাৰ

**কংকন তালুকদাৰ**
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
কোকৰাঝাৰ, বি.টি.আৰ., অসম

২০২৫

'গৰীয়সী' আলোচনীখনৰ প্ৰথম সংখ্যাটো প্ৰকাশ পাইছিল চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সম্পাদনাত। শইকীয়াৰ সম্পাদনাতে ২০০৬ চনৰ আগষ্ট সংখ্যাটোলৈকে প্ৰকাশ পাইছিল। সম্পাদনাৰ কামত নিয়োগ হৈ থকাৰ সময়ছোৱাতেই চন্দ্ৰপ্ৰসাদ শইকীয়াই মৃত্যুবৰণ কৰাত ছেপ্তেম্বৰ সংখ্যাটোৰ পৰা সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰিছিল হৰেকৃষ্ণ ডেকাই। অতি সম্প্ৰতি দ্বাত্ৰিংশ বৰ্ষত খোজ থৈ অষ্টম সংখ্যাটো (জুন, ২০২৪) প্ৰকাশ কৰিবলৈ সক্ষম হোৱা আলোচনীখনক ডেকাৰ পৰৱৰ্তী সময়ত লক্ষ্মীনন্দন বৰা, ধ্ৰুৱজ্যোতি বৰা, ৰীতা চৌধুৰীৰ সম্পাদনাই ভৱিষ্যতৰ বাটত আগবঢ়াই নিবলৈ সক্ষম হৈছে। অতি সম্প্ৰতি আলোচনীখন ৰীতা চৌধুৰীৰ সম্পাদনাত প্ৰকাশ পাই আছে। অসমীয়া আলোচনীৰ ক্ষেত্ৰখনত 'গৰীয়সী'ৰ এক বিশেষ স্থান আছে। ন-ন সাহিত্যৰ বিষয়বস্তু, এচাম নতুন লেখক - পঢুৱৈৰ সৃষ্টিৰ লগতে সাহিত্যৰ গতিধাৰাক অনন্য মাত্ৰা দিবলৈ সক্ষম হোৱা আলোচনীখনে অসমীয়া ভাষা-সাহিত্যৰ দীৰ্ঘ পৰিক্ৰমাজোৰা ইতিহাস অধ্যয়ন কৰিবলৈ যাওঁতেও এই আলোচনীখনৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰে। এনে দৃষ্টি সন্মুখত ৰাখি অধ্যয়ন কৰাৰ মানসেৰেই একবিংশ শতিকাৰ প্ৰথম দশকলৈ 'গৰীয়সী' আলোচনীত প্ৰকাশিত উপন্যাসৰ ভাষা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (লক্ষ্মীনন্দন বৰা আৰু পূৰৱী বৰমুদৈৰ উপন্যাসৰ ভাষাৰ বিশেষ উল্লিখনসহ) বিষয়টো আমাৰ গৱেষণা কৰ্মৰ বাবে নিৰ্বাচিত কৰা হৈছে। আলোচ্য গৱেষণা কৰ্মক মুঠ পাঁচটা অধ্যায়ত ভাগ কৰা হৈছে। অধ্যায় বিভাজনৰ প্ৰাকমুহূৰ্তত 'আৰম্ভণি'ত আমাৰ গৱেষণা কৰ্মৰ বিষয়ৰ আভাস দাঙি ধৰা হৈছে। ইয়াৰ পৰৱৰ্তী সময়ত অধ্যয়নৰ বিষয়বস্তুৰ পৰিচয়, অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য, অধ্যয়নৰ গুৰুত্ব, অধ্যয়নৰ পৰিসৰ, অধ্যয়নৰ সমল, অধ্যয়নৰ পদ্ধতি, পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা আৰু 'গৰীয়সী'ৰ পৃষ্ঠভূমি আৰু অসমীয়া সাহিত্যলৈ 'গৰীয়সী'ৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে।

গৱেষণাৰ প্ৰথম অধ্যায় "গৰীয়সী'ৰ সাহিত্যসমগ্ৰৰ বিষয়বস্তু'ত 'গৰীয়সী' আলোচনীখনৰ জন্ম আৰু ক্ৰমবিকাশৰ ইতিহাস সম্পৰ্কীয় চমু আলোচনা কৰা হৈছে। তদুপৰি আলোচনীখনৰ বিষয়বস্তুগত দিশ হিচাপে স্থান লাভ কৰা দৃষ্টিকোণ, শব্দকল্প, কবিতা, প্ৰবন্ধ, চিঠিপত্ৰ অভিমত, গ্ৰন্থ সমালোচনা, উপন্যাস, বিজ্ঞান সাহিত্য, চিত্ৰশিল্প বা চিত্ৰকল্প, চলচ্চিত্ৰ, সাক্ষ্যাৎকাৰ, গল্প,

নাটক, ‘শ্ৰদ্ধাৰ্ঘ্য’ সংখ্যা, ‘বসন্ত বিশেষ সংখ্যা’, ‘শাৰদীয় বিশেষ সংখ্যা’ আদিৰ আলোচনা দাঙি ধৰা হৈছে। তাৰোপৰি শিতান বহিৰ্ভূত দিশ হিচাপে স্থান দিব পৰা ‘বিজ্ঞাপন’ৰ অন্তৰ্ভুক্তিকৰণ আৰু আলোচনী এখন জীয়াই ৰখাত বিজ্ঞাপনৰ ভূমিকাৰ দিশটোৰ বিষয়েও এই অধ্যায়ত আলোচনা দাঙি ধৰা হৈছে।

দ্বিতীয় অধ্যায় ‘গৰীয়সী’ত প্ৰকাশিত উপন্যাসসমগ্ৰৰ ভাষা’ত আৰম্ভণিৰ পৰা ২০১০ চনৰ ডিচেম্বৰলৈ সময়ছোৰাত প্ৰকাশিত উপন্যাসসমগ্ৰৰ ভাষাৰ এক সামগ্ৰিক আলোচনা দাঙি ধৰা হৈছে। এই সময়ছোৰাত ১২ গৰাকী ঔপন্যাসিকৰ ১৯ খন উপন্যাস আলোচনীখনত প্ৰকাশ পাইছে। যিহেতু ১২ গৰাকী ঔপন্যাসিকৰ ভিতৰৰ নিৰ্বাচিত দুগৰাকী ঔপন্যাসিক লক্ষ্মীনন্দন বৰা আৰু পূৰবী বৰমুদৈৰ উপন্যাসৰ ভাষাৰ আলোচনা ক্ৰমে তৃতীয় আৰু চতুৰ্থ অধ্যায়ত দাঙি ধৰা হৈছে, সেয়ে এই অধ্যায়ত ঔপন্যাসিক দুগৰাকীৰ ছয়খন উপন্যাসৰ আলোচনাৰ পৰা বিৰত থকা হৈছে।

তৃতীয় অধ্যায় ‘লক্ষ্মীনন্দন বৰাৰ উপন্যাসৰ ভাষা’ত আৰম্ভণিতে লক্ষ্মীনন্দন বৰাৰ জীৱন আৰু সাহিত্যকৃতিৰ লগতে ঔপন্যাসিকগৰাকীৰ নিৰ্বাচিত তিনিখন উপন্যাস ‘সেহি গুণনিধি’, ‘গতি মতি ভকতি’ আৰু ‘গতি মতি ভকতি’ৰ বিষয়বস্তুগত দিশত চমু আলোকপাত কৰা হৈছে। ইয়াৰ পৰৱৰ্তী সময়ত উপন্যাস তিনিখনৰ ভাষাতাত্ত্বিক দিশৰ বিশ্লেষণ আগবঢ়োৱা হৈছে। ভাষাৰ অধ্যয়নৰ সময়ত শব্দতাত্ত্বিক প্ৰসংগ, লোকভাষাৰ প্ৰয়োগ, বাক্যৰীতি, বাগধাৰা, ভিন্নধৰ্মী অলংকাৰ প্ৰয়োগ, ব্যাকৰণগত দিশৰ অন্তৰ্গত ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক প্ৰসংগ, ভাষিক সমান্তৰালতা, লেখতাত্ত্বিক দিশ আদিৰ দিশত বিশ্লেষণ আগবঢ়োৱাৰ লগতে ঔপন্যাসিকৰ স্বকীয় ভাষিক বিশেষত্বৰাজিৰ বিচাৰ কৰা হৈছে।

চতুৰ্থ অধ্যায় ‘পূৰবী বৰমুদৈৰ উপন্যাসৰ ভাষা’ত আৰম্ভণিতে পূৰবী বৰমুদৈৰ জীৱন আৰু সাহিত্যকৃতিৰ লগতে ঔপন্যাসিকগৰাকীৰ নিৰ্বাচিত তিনিখন উপন্যাস ‘গজৰাজ, প্ৰেম আৰু বন্দীত্ব’, ‘পৰম পূজনীয়’ আৰু ‘এটা আলিবাটৰ ইতিকথা’ৰ বিষয়বস্তুগত দিশত চমু আলোকপাত দাঙি ধৰা হৈছে। ইয়াৰ পৰৱৰ্তী সময়ত উপন্যাস তিনিখনৰ ভাষাতাত্ত্বিক দিশৰ বিশ্লেষণ আগবঢ়োৱা হৈছে। ভাষাৰ অধ্যয়নৰ সময়ত শব্দতাত্ত্বিক প্ৰসংগ, ঘৰুৱা কথ্য ভাষাৰ প্ৰয়োগ,

বাক্যৰীতি, বাগধাৰা, বিভিন্ন অলংকাৰৰ প্ৰয়োগ, ব্যাকৰণৰ দিশৰ অন্তৰ্গত দিশৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক প্ৰসংগ, সমাজ ভাষাতাত্ত্বিক প্ৰসংগ, ভাষিক সমান্তৰালতা, লেখতাত্ত্বিক প্ৰসংগ আদিৰ বিশ্লেষণ আগবঢ়োৱাৰ লগতে ঔপন্যাসিকৰ স্বকীয় ভাষিক বিশেষত্বৰাজিৰ বিতংভাৱে বিচাৰ কৰা হৈছে।

পঞ্চম অধ্যায়ত দুয়োগৰাকী ঔপন্যাসিকৰ ভাষিক বিশেষত্বৰাজিৰ সাদৃশ্য-বৈসাদৃশ্যৰ ভিত্তিত এক তুলনামূলক আলোচনা দাঙি ধৰা হৈছে। আলোচনাত দুয়োগৰাকী ঔপন্যাসিকৰ লোকভাষা প্ৰয়োগ, ভাষাৰ সংৰক্ষণতাৰ প্ৰতি দায়বদ্ধতা, পৰিৱেশ আৰু পৰিস্থিতি অনুসৰি ভাষা প্ৰয়োগত গুৰুত্ব, কাব্যিকধৰ্মী বৰ্ণনাৰ প্ৰয়োগ, ব্যাকৰণগত দিশৰ শুদ্ধতাৰ প্ৰয়োগৰ প্ৰতি দিয়া সচেতনতা, আলংকাৰিক প্ৰয়োগেৰে পাঠকৰ মন জয়ৰ চেষ্টা আদি দিশত দেখা দিয়া সাদৃশ্যসমূহৰ বিষয়ে আলোকপাত কৰা হৈছে। তাৰোপৰি দুয়োগৰাকী ঔপন্যাসিকৰ ৰচনাৰীতিৰ মাজত থকা বৈসাদৃশ্যই কিদৰে দুয়োগৰাকী ঔপন্যাসিকৰ ভাষাশৈলীক বৈচিত্ৰ্যতা প্ৰদান কৰাৰ লগতে 'গৰীয়সী'ৰ ভাষাকো সমৃদ্ধ কৰিছে, সেই সম্পৰ্কে এটি বিশ্লেষণ দাঙি ধৰা হৈছে।